**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 29-09-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

আজি শাৰদীয় দুৰ্গাপূজাৰ সপ্তমী। কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ লগে লগে পৰম্পৰাগত ৰীতি-নীতিৰে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হয়। এইবাৰ দেৱী দুৰ্গাৰ হস্তীত আগমন ঘটিছে আৰু দোলাত গমন হ'ব বুলি বিশ্বাস কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে পৰম্পৰা বৰ্তাই ৰাখি জনসাধাৰণে শক্তিৰূপিনী দুৰ্গাৰ আৰাধনা কৰিছে।

শিৱসাগৰ জিলাত ১৭৩৪ চনত ৰাণী অম্বিকাই প্ৰতিষ্ঠা কৰা ২৯১ বছৰীয়া ঐতিহাসিক দেৱী দৌলত আধ্যাত্মিকতাৰ মাজেৰে  শাৰদীয় পূজা অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে, এই দৌলত মহা অষ্টমীৰ প্ৰথম প্ৰসাদ নাগাৰা বজোৱা দৌল্লা পৰিয়াল আৰু কনচেং বৰপাত্ৰ গোঁহাই পৰিয়ালৰ পৰা আগবঢ়োৱাৰ ৰজাদিনীয়া পৰম্পৰা দৌল উন্নয়ন সমিতিয়ে এতিয়াও অক্ষুণ্ণ ৰাখিছে। জিলাখনত সৰ্বমুঠ ২৫ খন ৰাজহুৱা পূজা অনুষ্ঠিত হৈছে।  পূজা সমিতিসমূহে জুবিন গাৰ্গৰ প্ৰতি সন্মান জনাই সকলো সাংস্কৃতিক কাৰ্যসূচী বাতিল কৰিছে।

**ডিব্ৰুগড়** জিলাতো জুবিন গাৰ্গৰ বিয়োগে জনসাধাৰণৰ মন সেমেকা কৰি ৰাখিছে যদিও পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হৈছে। জিলাখনত স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্বকালৰ মোমাই তামুলী বৰবৰুৱাৰ পৃষ্ঠপোষকতাত আৰম্ভ হোৱা বকুলৰ দুৰ্গা পূজাভাগ অসমীয়া ৰীতি-নীতিৰে পালন কৰা হৈছে।

**ধেমাজি** জিলাতো মাংগলিক ৰীতি-নীতিৰে কালি ষষ্ঠীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰে শাৰদীয় পূজা আৰম্ভ হৈছে। আজি সপ্তমী পূজাৰ নৱপত্ৰিকা স্থাপনৰ পৰম্পৰাও পূজাস্থলীত পালন কৰা হৈছে। **শোণিতপুৰ** জিলাতো শাৰদীয় দুৰ্গা পূজা পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে পালন কৰা হৈছে।

**নলবাৰী** জিলাৰ ইতিহাস প্ৰসিদ্ধ বিল্বেশ্বৰ দেৱালয়ত হাতীৰে আদৰি আনি কালি দেৱীক প্ৰতিষ্ঠা কৰা হয়। আজি পৰম্পৰাগত ৰীতিৰে সপ্তমী পূজাৰ আয়োজন কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ বিভিন্ন প্ৰান্ততো কালি ষষ্ঠী উপলক্ষে পূজাৰ বেদীত দেৱী প্ৰতিমা স্থাপন কৰি শক্তিৰূপিনী দেৱীৰ আৰাধনা কৰা হয়। **ধুবুৰী** জিলাৰ শতাধিক পূজাথলীত এইবাৰ দেৱীক আৰাধনা কৰা হৈছে। জিলাখনৰ ৪০৪ বছৰীয়া গৌৰীপুৰৰ ৰজাঘৰীয়া দুৰ্গোৎসৱ, বিলাসীপাৰাৰ জমিদাৰবাৰীৰ অষ্টভূজা পূজা আৰু ৪১৩ বছৰীয়া বগৰীবাৰীৰ মা মহামায়া শক্তিপীঠত আজি পাৰম্পৰিক ৰীতি-নীতিৰে সম্পূৰ্ণ বৈদিক প্ৰথাত মহাসপ্তমী পূজাৰ আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰী কুজিদেওৰ দেৱালয়ৰ লগতে বিভিন্ন স্থানত পূজা অনুষ্ঠিত হৈছে। এই সন্দৰ্ভত এয়া জিলাখনৰ পৰা আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰ–

***(ভইচ ঃ তালুকদাৰ)***

**দক্ষিণ শালমাৰা মানকাচৰ** জিলাৰ ৪৩ খন ঠাইত শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হৈছে। আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো আজিৰেপৰা শাৰদীয় দুৰ্গাপূজা পালন কৰা হৈছে।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ বাবে গঠন কৰা এছ আই টিয়ে আজি বাদ্যযন্ত্ৰী শেখৰ জ্যোতি গোস্বামীক পুনৰ জেৰা কৰিছে। উলুবাৰীৰ চি আই ডিৰ মুখ্যকাৰ্যালয়ত তদন্তকাৰী দলটোৱে অভিনেত্ৰী নিশিতা গোস্বামীক আৰু কণ্ঠ শিল্পী অমৃতপ্ৰভা মহন্তকো জেৰা কৰিব। আটাইকেইজনে আৰক্ষীক জেৰাৰ সময়ত সহযোগ কৰিছে বুলি প্ৰকাশ কৰিছে। ইপিনে শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি তেওঁৰ কাহিলীপাৰাস্থিত বাসগৃহত মাংগলিক অনুষ্ঠানৰ লগতে বিভিন্ন স্থানত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত কাইলৈ আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। ভাৰত আৰু শ্ৰীলংকাৰ দুয়োটা দল ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে। উদ্বোধনী অনুষ্ঠানৰ ৪০ মিনিট সময় জুবিন গাৰ্গৰ সন্মানাৰ্থে উৎসৰ্গিত হ'ব বুলি বি চি চি আইয়ে সদৰি কৰিছে।

০০০০০০০

**সমাপ্ত**